অসম

কাজিৰঙাৰ পথ দুর্ঘটনাত নিহত ২৫ জনৰ পৰিয়াললৈ মুখ্যমন্ত্রীৰ ৫ লাখ টকাকৈ সাহায্য প্রদান

কাজিৰঙাৰ শোকাৱহ পথ দুর্ঘটনাত প্রাণ হেৰুওৱা ২৫ জন লোকৰ পৰিয়াললৈ মুখ্যমন্ত্রীৰ সাহায্য পুঁজিৰ পৰা ৫ লাখ টকাকৈ আর্থিক সাহায্য প্রদান কৰিলে মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই।

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৭



কাজিৰঙাৰ ভয়ংকৰ পথ দুর্ঘটনাত নিহত ২৫ জন লোকৰ পৰিয়াললৈ মুখ্যমন্ত্রীৰ সাহায্য পুঁজিৰ পৰা ৫ লাখ টকাকৈ আর্থিক সাহায্য প্রদান কৰিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই দুর্ঘটনাত প্রাণ হেৰুওৱা লোকসকলৰ প্রতিটো পৰিয়াললৈ এই সাহায্যৰ চেক প্রদান কৰে।

মুখ্যমন্ত্রীগৰাকীয়ে দুর্ঘটনাত প্রাণ হেৰুওৱা আৰক্ষী জোৱান সুশীল ভূমিজৰ বাসগৃহতো উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবর্গক গভীৰ সমবেদনা জ্ঞাপন কৰে। দুর্ঘটনাস্থলী পৰিদর্শনৰ সময়ত দেখা পৰিস্থিতি অত্যন্ত বেদনাদায়ক

আছিল বুলিও তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্রী ড০ শর্মাই কয় যে কোনো আর্থিক সাহায্যই আপোনজনক হেৰুওৱাৰ বেদনা পূৰণ কৰিব নোৱাৰে, তথাপি চৰকাৰে এই দুর্দশাগ্রস্ত পৰিয়ালসমূহৰ কাষত থিয় দিয়াৰ প্রয়াস কৰিছে।

ইয়াৰ উপৰি প্রধানমন্ত্রীৰ সাহায্য পুঁজিৰ পৰাও প্রতিটো পৰিয়াললৈ ২ লাখ টকাকৈ সাহায্য প্রেৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। লগতে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অতিৰিক্ত ২ লাখ টকা প্রদানৰ প্রক্রিয়াও চলি আছে বুলি মুখ্যমন্ত্রীয়ে সদৰী কৰে।

ভুক্তভোগী পৰিয়ালসমূহৰ ভিতৰত যিসকলে বর্তমানলৈকে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰা নাই, তেওঁলোকক এই আঁচনিৰ অধীনলৈ অনাৰ ব্যৱস্থা কৰা হ’ব বুলিও মুখ্যমন্ত্রীগৰাকীয়ে আশ্বাস দিয়ে। পৰিয়ালসমূহৰ অন্যান্য অভাৱ-অভিযোগ আৰু সমস্যাৰ ক্ষেত্রতো চৰকাৰে সহায় কৰিব বুলি তেওঁ জনায়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5957/kaziranga-accident-chief-minister-compensation-victims-families